No. of Printed Pages—4

40N (ASB)

[19-HRPGKOW-M1S(N) 20M]

MA 1st Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S1–01]

(অসমীয়া সাহিত্যৰ বুৰঞ্জী : আদিৰ পৰা মধ্যলৈ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) প্ৰাচীন কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ বুলি কোনগৰাকী পৰিব্ৰাজকে মন্তব্য কৰিছিল ?

(ii) চৰ্যাপদসমূহ কোনে, ক'ৰ পৰা উদ্ধাৰ কৰি আনি প্ৰথমে প্ৰকাশ কৰিছিল ?

(iii) প্ৰাক্‌শংকৰী যুগৰ কবি হেম সৰস্বতীয়ে কোনগৰাকী ৰজাৰ আমোলত কাব্য চৰ্চা কৰিছিল ?

(iv) 'কামৰত্ন তন্ত্ৰ' পুথিখনৰ ৰচক কোন ?

(v) অনন্ত কন্দলিৰ ডেকা কালৰ নামটো কি আছিল ?

(vi) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যখনৰ নাম কি ?

(vii) সংস্কৃত কোনটো শব্দৰ পৰা 'পাঁচালী' শব্দটো নিষ্পন্ন হৈছে ?

(viii) মহাপুৰুষ শংকৰদেৱৰ মুছলমান শিষ্যগৰাকীৰ নাম কি আছিল ?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) 'শূন্য পুৰাণ'ৰ ৰচকগৰাকী হৈছে
1. মাধৱ কন্দলি
2. ৰামাই পণ্ডিত
3. বড়ু চণ্ডীদাস
4. ভট্টদেৱ

(ii) গোপাল আতাই ৰচনা কৰা 'উদ্ধৱ-সংবাদ' নাটকখনৰ আন এটা নাম হ'ল
1. উদ্ধৱ-কথা
2. উদ্ধৱ-বার্তা
3. উদ্ধৱ-যান
4. কথা-উদ্ধৱ

(iii) বৌদ্ধধর্ম সাহিত্যিক প্রতিনিধিত্ব কৰা প্রধান ভাষাবিধৰ নাম হ'ল
1. প্রাকৃত ভাষা
2. অপভ্রংশ ভাষা
3. পালি ভাষা
4. সংস্কৃত ভাষা

(iv) ৰঘুনাথ মহন্ত কোন যুগৰ সাহিত্যিক ?
1. প্রাচীন যুগৰ
2. প্রাক্‌শংকৰী যুগৰ
3. শংকৰী যুগৰ
4. শংকৰোত্তৰ যুগৰ

(c) খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) বুৰঞ্জী শব্দটো ____ মূলীয় শব্দ।

(ii) ____ কাণ্ড ৰামায়ণৰ অনুবাদত মাধবদেৱে শিশু ৰামৰ বিবিধ ৰূপ আৰু লীলাৰ চৰিত্র অংকন কৰিছে।

(iii) অসমীয়া নাটকৰ জনক বুলি ____ ক অভিহিত কৰা হয়।

(iv) বধকাব্যবোৰ একপ্রকাৰৰ ____ কাব্য।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া ভাষাৰ আদিৰূপ ক'ত ৰক্ষিত হৈছে বুলি কোৱা হৈছে, চমুকৈ লিখক।

(b) মনকৰ বিৰচিত মনসা কাব্য মূলতঃ কি কি তিনিটা খণ্ডত বিভক্ত ?

(c) কবি কংসাৰি কায়স্থৰ পৰিচয় দাঙি ধৰক।

(d) ভট্টদেৱে ৰচনা কৰা গ্ৰন্থসমূহৰ নাম কি কি ?

(e) কোনকেইখন বুৰঞ্জীৰ সমষ্টিক একেলগে 'দেওধাই অসম বুৰঞ্জী' বুলি কোৱা হৈছে ?

(f) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' পুথিখনৰ মূল বিষয়বস্তু কি ?

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'প্ৰাচ্য শাসনাৱলী'ত সন্নিৱিষ্ট বিষয়বস্তু সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

(b) 'শূন্য পুৰাণ'ৰ ভাষা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(c) ৰাম সৰস্বতীৰ বধকাব্যসমূহৰ বিষয়ে চমুকৈ লিখক।

(d) কি কি যুক্তিত ভট্টদেৱক 'অসমীয়া গদ্য সাহিত্যৰ জনক' বুলিব পাৰি, বিশ্লেষণ কৰক।

(e) শংকৰোত্তৰ যুগৰ 'ছুফী সাহিত্য'ৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(b) মাধৱদেৱৰ 'নামঘোষা' পুথিৰ বিষয়ে এটি চমু আলোচনা দাঙি ধৰক।

(c) অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে ব্যাখ্যা কৰক।

(d) চমু টোকা লিখক : পাঁচালী সাহিত্য।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) প্ৰাক্‌শংকৰী যুগৰ কবিসকল কোন কোন? এই কবিসকলৰ ভিতৰত যি কোনো এগৰাকী কবিৰ কাব্যকৃতি সম্পৰ্কে বহলাই আলোচনা কৰক।

(b) চৰ্যাপদ বুলিলে কি বুজে? চৰ্যাপদৰ অন্তৰ্নিহিত বিষয়বস্তুৰ আভাস দাঙি ধৰি বৌদ্ধধৰ্মৰ সৈতে চৰ্যাপদৰ সম্পৰ্ক নিৰূপণ কৰক।

(c) চৰিত সাহিত্য মানে কি? অসমীয়া চৰিত সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি প্ৰবন্ধ লিখক।

(d) অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰদেৱৰ স্থান নিৰূপণ কৰি এটি আলোচনা যুগুত কৰক।

★★★